**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 15-06-2026**
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***::::::::::::::::::::::::::::::::::::***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু শ্লোভাকিয়াৰ প্ৰধানমন্ত্ৰী ৰবাৰ্ট ফিকোৱে আজি প্ৰতিনিধি পৰ্যায়ৰ আলোচনাত মিলিত হয়।

২। ফ্ৰান্সৰ এভিয়ানত আজিৰে পৰা হ'বলগীয়া ৫২ সংখ্যক জি-ছেভেন সন্মিলনৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ হৈছে।

৩। ৰে'ল মন্ত্ৰালয়ে উত্তৰ ৰে'লৰে আম্বালা সংমণ্ডলৰ বাবে ২০১ কোটি টকাৰ কবচ প্ৰকল্পত অনুমোদন জনাইছে।

৪। কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে আজি শ্বিলঙত উত্তৰ-পূব ভাৰত আন্তঃগাঁথনি সন্মিলন আৰু প্ৰদৰ্শনী মুকলি কৰে। *আৰু*

৫। অসমৰ চাৰিবিধ সাংস্কৃতিক আৰু কাৰুশিল্পজাত সামগ্ৰীয়ে GI TAG অৰ্থাৎ ভৌগোলিক সূচ্যাংক লাভ কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু শ্লোভাকিয়াৰ প্ৰধানমন্ত্ৰী ৰবাৰ্ট ফিকোৱে আজি প্ৰতিনিধি পৰ্যায়ৰ আলোচনাত মিলিত হয়। আলোচনাৰ অন্তত যৌথ সংবাদমেল সম্বোধন কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে ভাৰত আৰু শ্লোভাকিয়াই সম্পৰ্কক সৰ্বাঙ্গীন অংশীদাৰিত্বৰ মৰ্যাদালৈ উন্নীত কৰাৰ সিদ্ধান্ত লৈছে। তেওঁ কয়, যে দুয়োখন ৰাষ্ট্ৰৰ মাজত প্ৰতিৰক্ষা সহযোগিতা গভীৰ পাৰস্পৰিক বিশ্বাস আৰু কৌশলগত অভিসৰণক প্ৰতিষ্ঠা কৰে। শ্ৰীমোদীয়ে উল্লেখ কৰে যে দুয়োখন দেশে প্ৰতিৰক্ষা খণ্ডৰ ক্ষেত্ৰত এক উল্লেখযোগ্য চুক্তিপত্ৰত স্বাক্ষৰ কৰে। তেওঁ লগতে কৃত্ৰিম বুদ্ধিমত্তাৰ ভৱিষ্যত কেৱল উদ্ভাৱনৰ ওপৰত নহয়, বৰঞ্চ বিশ্বাস, দায়িত্ব আৰু মানৱ মৰ্যাদাৰ ওপৰতো ভিত্তি কৰি হ'ব লাগে বুলি প্ৰকাশ কৰে। উল্লেখযোগ্য যে ডিজিটেল প্ৰযুক্তি সন্দৰ্ভত দুয়োখন দেশৰ মাজত স্বাক্ষৰিত হোৱা চুক্তিপত্ৰই সহযোগিতাৰ নতুন পথ মুকলি কৰিব বুলিও প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। এই সন্দৰ্ভত ভাষণ দি শ্লোভাকিয়াৰ প্ৰধানমন্ত্ৰী ৰোবাৰ্ট ফিকোৱে ভাৰতৰ দ্ৰুত অৰ্থনৈতিক বিকাশ, ডিজিটেল ৰূপান্তৰ আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ অগ্ৰগতিৰ প্ৰশংসা কৰি কয় যে, দেশখনে গুৰুত্বপূৰ্ণ খণ্ডত বহু উন্নত ৰাষ্ট্ৰক চেৰ পেলাইছে। তেওঁ লগতে কয় যে ভাৰতক ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ স্থায়ী সদস্য হিচাপেও অন্তৰ্ভুক্ত কৰাতো অতিকৈ প্ৰয়োজনীয়।

সামাজিক মাধ্যমৰ এটা পোষ্ট যোগে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে ভাৰত আৰু শ্লোভাকিয়াৰ বন্ধুত্বপূৰ্ণ সম্পৰ্কৰ বাবে এয়া অতি বিশেষ মুহূৰ্ত। অটোমোবাইল, ৰেলপথ, সেউজ প্ৰযুক্তি, আদি বিষয়ত দুয়োগৰাকী নেতাই আলোচনা কৰা বুলি প্ৰধানমন্ত্ৰী মোদীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে ভাৰত আৰু শ্লোভাকিয়াৰ সম্পৰ্কৰ সম্ভাৱনা বিবেচনা কৰি দুয়োখন দেশে নিজৰ সম্পৰ্ক উল্লেখযোগ্য অংশীদাৰিত্বলৈ উন্নীত কৰিছে। ভাৰত আৰু ইউৰোপীয় সংঘৰ মুক্ত বাণিজ্য চুক্তিয়ে ভাৰত শ্লোভাকিয়াৰ অংশীদাৰিত্বত বিশেষ ভূমিকা গ্ৰহণ কৰিব বুলি প্ৰধানমন্ত্ৰী গৰাকীয়ে মন্তব্য কৰে।

ooooo

ফ্ৰান্সৰ এভিয়ানত আজিৰে পৰা হ'বলগীয়া ৫২ সংখ্যক জি-ছেভেন সন্মিলনৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ হৈছে। আমেৰিকা আৰু ইৰানে ১০৭ দিনীয়া যুদ্ধৰ অন্ত পেলোৱাৰ বাবে চুক্তি সম্পন্ন কৰাৰ লগতে হৰমুজ প্ৰণালী পুনৰ মুকলি কৰাৰ সিদ্ধান্ত লোৱাৰ সময়ত এই সন্মিলন গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছে। G7-ৰ সদস্য ৰাষ্ট্ৰসমূহে এই সিদ্ধান্তক আদৰণি জনাইছে। এটা উমৈহতীয়া বিবৃতিত ফ্ৰান্স, ব্ৰিটেইন, জাৰ্মানী আৰু ইটালীৰ নেতাসকলে কয়, যে চৰ্তহীন আৰু কঠোৰ নীতি-নিৰ্দেশনা অবিহনে হৰমুজ প্ৰণালী শীঘ্ৰে মুকলি কৰাটো অত্যন্ত প্ৰয়োজনীয় হৈ পৰিছে।

উল্লেখযোগ্য যে তিনিদিনীয়াকৈ আয়োজন কৰা এই সন্মিলনত জি-ছেভেন সদস্য ৰাষ্ট্ৰ কানাডা, ফ্ৰান্স, জাৰ্মানী, ইটালী, জাপান, ব্ৰিটেইন আৰু ইউৰোপীয় সংঘই অংশগ্ৰহণ কৰিব। এই সদস্য ৰাষ্ট্ৰসমূহৰ উপৰি ফ্ৰান্সে ভাৰত, ব্ৰাজিল, ইজিপ্ত,

কেনিয়া, দক্ষিণ কোৰিয়া, কাটাৰ, ছৌদি আৰৱ, ছিৰিয়া, ইউক্ৰেইন আৰু সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰক আউটৰিচ অংশীদাৰ দেশ হিচাপে আমন্ত্ৰণ জনাইছে। ভাৰতে জি-ছেভেন সন্মিলনত অংশীদাৰী দেশ হিচাপে এইবাৰ ত্ৰয়োদশ বাৰৰ বাবে অংশগ্ৰহণ কৰিব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ এই অনুষ্ঠানত অংশ ল'ব। জি-ছেভেন সন্মিলনত প্ৰধানমন্ত্ৰী মোদীৰ অংশগ্ৰহণে গোলকীয় ভূ-ৰাজনীতিত ভাৰতৰ গুৰুত্বপূৰ্ণ ভূমিকাকে সূচাইছে। অৰ্থনৈতিক শক্তি, উন্নয়নশীল বিশ্বৰ মাজত কূটনৈতিক সেতু আৰু ভাৰত-প্ৰশান্ত মহাসাগৰীয় খণ্ডত কৌশলগত অংশীদাৰ হিচাপে জি-ছেভেন ৰাষ্ট্ৰগোষ্ঠীৰ বাবে ভাৰত অতি গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছে।

০০০০০

ৰে'ল মন্ত্ৰালয়ে উত্তৰ ৰে'লৰে আম্বালা সংমণ্ডলৰ বাবে ২০১ কোটি টকাৰ কবচ প্ৰকল্পত অনুমোদন জনাইছে। কবচ প্ৰণালী হৈছে কাৰ্যকৰী সুৰক্ষা বৃদ্ধিৰ বাবে ডিজাইন কৰা থলুৱাভাৱে বিকশিত অটোমেটিক ৰে'ল সুৰক্ষা ব্যৱস্থা। ৰে'ল মন্ত্ৰালয়ে জনাইছে যে, এই প্ৰকল্পটিয়ে ৮১১ কিলোমিটাৰ পথ সামৰি লৈছে। এই প্ৰকল্পই আম্বালা-কেণ্টনমেন-লুধিয়ানা, লুধিয়ানা-ধুৰি-জাখল খণ্ডকে ধৰি আম্বাল সংমণ্ডল সামৰি ল'ব। এই পথসমূহে হাৰিয়ানা, পঞ্জাব আৰু হিমাচল প্ৰদেশ ৰাজ্যসমূহক সংযোগ কৰা মূল ৰে'ল কৰিডৰ  হিচাপে কাম কৰে। কৰিডৰসমূহে বহুত সংখ্যক যাত্ৰী আৰু মালবাহী যাতায়ত পৰিচালনা কৰে লগতে সমগ্ৰ অঞ্চলটো মানুহ আৰু সামগ্ৰীৰ চলাচলত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। আমাৰ সংবাদদাতাই জনোৱা মতে, কবচ প্ৰকল্পই বিপদৰ সময়ত চিগনেল পাচিং ৰোধ কৰাত সহায় কৰে, অসুৰক্ষিত পৰিস্থিতি ৰোধ কৰিবলৈ প্ৰয়োজন হ'লে স্বয়ংক্ৰিয় ব্ৰেক প্ৰয়োগ কৰে, জটিল পৰিস্থিতিত ৰে'লৰ গতি নিয়ন্ত্ৰণ কৰাৰ লগতে সংঘৰ্ষৰ আশংকা বহু পৰিমাণে হ্ৰাস কৰে। উল্লেখযোগ্য যে উচ্চ ঘণত্ব আৰু কৌশলগতভাৱে গুৰুত্বপূৰ্ণ পথসমূহত সুৰক্ষা, নিৰ্ভৰযোগ্যতা আৰু ক্ষমতা উন্নত কৰাৰ বাবে চলি থকা প্ৰচেষ্টাৰ অংশ হিচাপে ৰে'লৰে নিজৰ ক্ষমতাত কবচ প্ৰণালীক ক্ৰমান্বয়ে সম্প্ৰসাৰণ কৰি আছে।

০০০০০

কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে আজি শ্বিলঙত উত্তৰ-পূব ভাৰত আন্তঃগাঁথনি সন্মিলন আৰু প্ৰদৰ্শনী মুকলি কৰে। এই সন্মিলনৰ পৰাই কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ৩ হাজাৰ ২১৪ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া মেঘালয়ৰ ছটা ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। এই প্ৰকল্পই পথ যোগাযোগ ব্যৱস্থা উন্নত কৰাৰ লগতে প্ৰান্তীয় অঞ্চললৈ যোগাযোগৰ সুবিধা তথা মেঘালয়কে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ আৰ্থ-সামাজিক বিকাশত অৰিহণা যোগাব বুলি আশা কৰা হৈছে। সন্মিলনত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলৰ আন্তঃগাঁথনি বিকাশ ক্ষেত্ৰত দিয়া গুৰুত্বৰ বিষয়ে উল্লেখ কৰে। শ্ৰীগাডকাৰীয়ে কয় যে কেন্দ্ৰীয় চৰকাৰে উত্তৰ পূৰ্বাঞ্চলৰ অৰ্থনৈতিক সম্ভাৱনাৰ পূৰ্ণ ব্যৱহাৰ, আঞ্চলিক সংহতি সুদৃঢ়কৰণ আৰু যুৱ প্ৰজন্ম তথা স্থানীয় প্ৰতিষ্ঠানসমূহৰ বাবে সুযোগ সৃষ্টিৰ উদ্দেশ্যে যোগাযোগ আৰু স্থায়ী আন্তঃগাঁথনিৰ প্ৰসাৰৰ লগতে বিনিয়োগ-কেন্দ্ৰিক বিকাশত গুৰুত্ব আৰোপ কৰি আহিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী নেতৃত্বত দ্ৰুত আৰু নিৰাপদ যাত্ৰা সুনিশ্চিত কৰাৰ বাবে সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলত বিশ্বমান ঘাইপথ আন্তঃগাঁথনি নিৰ্মাণ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰ বদ্ধপৰিকৰ বুলি তেওঁ মন্তব্য কৰে।

শ্ৰী গাডকাৰীয়ে এই সন্মিলনত মুখ্য কাৰ্যবাহী বিষয়াসকলৰ ঘূৰণীয়া মেজমেলত অংশ লোৱাৰ কথা। এই সন্মিলনে নীতি নিৰ্মাতা, ঔদ্যোগিক নেতা, বিনিয়োগকাৰী আৰু ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ অংশীদাৰীসকলক একেলগ কৰি আন্তঃগাঁথনিৰ উন্নয়ন, বিনিয়োগৰ সুযোগ আৰু আঞ্চলিক বিকাশৰ আলোচনাৰ বাবে এখন গুৰুত্বপূৰ্ণ মঞ্চ হিচাপে সেৱা আগবঢ়াই আহিছে। দুদিনীয়াকৈ আয়োজন কৰা এই সন্মিলনত মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড কে চাংমা আৰু নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেইফিউ ৰিঅ'ই অংশগ্ৰহণ কৰে। এই সন্মিলন উত্তৰ-পূব ভাৰতৰ আন্তঃগাঁথনিক লৈ সমবেত হোৱা সৰ্ববৃহৎ সন্মিলন হ'ব বুলি আশা কৰা হৈছে।

০০০০০

ৰাজ্যৰ চাৰিবিধ সাংস্কৃতিক আৰু কাৰুশিল্পজাত সামগ্ৰীয়ে GI TAG অৰ্থাৎ ভৌগোলিক সূচ্যাংক লাভ কৰিছে। শেহতীয়াকৈ ভৌগোলিক সূচক পঞ্জীয়ে বিহু পেঁপা, বাঁহ শিল্প, কাৰ্বি আংলঙৰ হস্ততাঁত শিল্প আৰু দেউৰী সম্প্ৰদায়ৰ হস্ততাঁত শিল্পক স্বীকৃতি প্ৰদান কৰিছে। ইয়াৰ লগে লগে ৰাজ্যৰ থলুৱা কাৰুশিল্প আৰু সাংস্কৃতিক পৰিচয়ৰ বৈচিত্ৰপূৰ্ণ দিশসমূহ উদ্ভাসিত হোৱাত সহায়ক হৈ পৰিব। নতুনকৈ ভৌগোলিক সূচ্যাংক লাভ কৰা এই চাৰিবিধ সামগ্ৰীয়ে জনজাতীয় ঐতিহ্য, সংগীত বিজ্ঞান আৰু প্ৰাকৃতিক সম্পদৰ কাৰুশিল্পৰ বৰ্ণাঢ্য দিশ সামৰি লৈছে।

উল্লেখযোগ্য যে নাবাৰ্ডৰ সহযোগত অসমৰ ভৌগোলিক সূচ্যাংক লাভ কৰা সামগ্ৰীৰ সংখ্যা ১২ টালৈ বৃদ্ধি পালে। এই স্বীকৃতি পোৱাৰ ফলত এনে সামগ্ৰীসমূহৰ বিনা অনুমতিত অনুকৰণ আৰু অপব্যৱহাৰৰ বিৰুদ্ধে আইনী সুৰক্ষা লাভ কৰিব।

ooooo

কেন্দ্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ড° জীতেন্দ্ৰ সিঙে আজি কয় যে, বিগত ১২ বছৰত বিজ্ঞান আৰু প্ৰযুক্তিয়ে ভাৰতৰ উন্নয়ন যাত্ৰাৰ মূল চালক হিচাপে আত্মপ্ৰকাশ কৰিছে। নতুন দিল্লীত আজি এখন বিজ্ঞান বিষয়ক সংবাদ মেল সম্বোধন কৰি মন্ত্ৰীগৰাকীয়ে কয় যে চৰকাৰে বিজ্ঞান নেতৃত্বাধীন উন্নয়নৰ প্ৰতি গুৰুত্ব দিয়াৰ বাবে প্ৰযুক্তি প্ৰধান ৰাষ্ট্ৰীয় অভিযান আৰু ফ্লেগশ্বিপ কাৰ্যসূচীৰ অবিচ্ছেদ্য অংগ হিচাপে পৰিগণিত হৈছে। তেওঁ কয়, যে এই খণ্ডত উদ্যোগৰ অধিক অংশগ্ৰহণ উদ্ভাৱন আৰু ৰাজহুৱা তথা ব্যক্তিগত সহযোগিতাৰ বিশদ পৰিৱৰ্তন হৈছে। তেওঁ লগতে ভাৰতৰ জৈৱ প্ৰযুক্তি খণ্ডৰ বৃদ্ধি সন্দৰ্ভত আলোকপাত কৰি কয় যে বিগত দশকত দেশৰ জৈৱ অৰ্থনীতিত যথেষ্ট সম্প্ৰসাৰণ ঘটিছে। মন্ত্ৰীগৰাকীয়ে লগতে বৈজ্ঞানিক প্ৰতিষ্ঠানসমূহেও যোৱা কিছু বছৰত বিশ্বব্যাপি স্বীকৃতিপ্ৰাপ্ত কেইবাটাও সফলতাৰ কাহিনী উল্লেখ কৰে। তেওঁ জৈৱ প্ৰযুক্তি, কোষ চিকিৎসাৰ উন্নতি, জম্মু কাশ্মীৰৰ বেঙুনীয়া বিপ্লৱ, হাইড্ৰজেন ইন্ধন কোষ, প্ৰযুক্তি আৰু উন্নত বতৰৰ পূৰ্বাভাষ ব্যৱস্থাক নাগৰিকৰ বাবে স্পষ্ট সুবিধা লৈ পৰিণত হোৱাটোৱে বিজ্ঞানৰ এক বিশেষ উদাহৰণ বুলি উল্লেখ কৰে। শ্ৰীসিঙে মহাকাশ, ভূস্থানীয় আৰু পাৰমানৱিক খণ্ডৰ সংস্কাৰৰ ওপৰত আলোকপাত কৰি কয় যে এই ব্যৱস্থাসমূহে ব্যক্তিগত খণ্ডৰ অংশগ্ৰহণ সম্প্ৰসাৰণ কৰাৰ লগতে ভাৰতৰ বৈজ্ঞানিক পৰিৱেশ তন্ত্ৰক শক্তিশালী কৰিছে। তেওঁ কয় যে নীতি সংস্কাৰ, উদ্ভাৱন আৰু প্ৰতিষ্ঠানিক সমৰ্থনৰ সংমিশ্ৰনৰ জৰিয়তে দেশখনে বিজ্ঞান আৰু প্ৰযুক্তিৰ ক্ষেত্ৰত এক আগশাৰীৰ প্ৰণালী হিচাপে আত্মপ্ৰকাশ কৰিছে।

ooooo

ঃঃ সমাপ্ত ঃঃ